# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 25-09-2024 **Time :** 0900 Hrs

***Assamese Morning Bulletin***

***Headlines***

১। অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ পৰামৰ্শাৱলী সন্দৰ্ভত আজি মুখ্যমন্ত্ৰীৰ সৈতে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলৰ বৈঠক।

২। ৰাজ্যৰ বিদ্যালয়ৰ তৃতীয় আৰু ষষ্ঠ শ্ৰেণীৰ পাঠ্যক্ৰমত চৰিত্ৰ পাঠ শীৰ্ষক কিতাপখন পুনৰ প্ৰৱৰ্তনৰ সিদ্ধান্ত।

৩। ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযানৰ অধীনত চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ শান্তিপুৰ এলেকাৰ দৰিদ্ৰ পৰিয়ালৰ মাজত এককালীন আৰ্থিক সাহায্য প্ৰদান।

৪। জম্মু-কাশ্মীৰ বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগ্ৰহণ অব্যাহত।

*আৰু*

৫। আই এফ বি বি মিষ্টাৰ ইউনিভাৰ্ছ দেহশ্ৰী প্ৰতিযোগিতাৰ ৯৫ কিলোগ্ৰাম ওজন শাখাত অসমৰ কিৰণ টায়েঙৰ স্বৰ্ণপদক অৰ্জন।

0000000

অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ পৰামৰ্শাৱলী সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আজি সদৌ অসম ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলৰ বৈঠক অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে এই সন্দৰ্ভত সংগঠনটোৰ পৰামৰ্শসমূহ গ্ৰহণ কৰাৰ পাছত অন্য সংগঠনৰ সৈতেও আলোচনা কৰা হ'ব। উল্লেখযোগ্য যে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বাধীন সমিতিয়ে ১৯৭১ চনৰ পাছত অসমলৈ অহা বুলি চিনাক্ত হোৱা অনুপ্ৰৱেশকাৰীসকলক বহিষ্কাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা পৰ্যন্ত ৰাজ্যৰ বাহিৰৰ কোনো স্থানত সংস্থাপন কৰাৰ পৰামৰ্শ দিছে। তদুপৰি সমিতিয়ে অসমীয়াৰ সংজ্ঞাও নিৰ্ধাৰণ কৰিছে। সমিতিৰ পৰামৰ্শসমূহ সম্পূৰ্ণৰূপে ৰূপায়ণৰ বাবে কোনো কোনো ক্ষেত্ৰত সাংবিধানিক আৰু সংসদীয় ক্ষেত্ৰত সংস্কাৰ সাধনৰ প্ৰয়োজন হ'ব। পৰামৰ্শৱলী লগতে সংবিধানৰ ৩৭১খ অনুচ্ছেদ সালসলনিৰ প্ৰয়োজনীয়তা সম্পৰ্কেও উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কিছুদিন পূৰ্বে অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত গঠিত এই সমিতিৰ পৰামৰ্শসমূহ ৰূপায়ণক লৈ মন্তব্য কৰি বৰাক উপত্যকাৰ জিলাকেইখন আৰু স্বায়ত্বশাসিত জিলাকেইখনৰ বাহিৰে অন্য জিলা বিশেষ নামনি অসমত এই পৰামৰ্শৱলী ৰূপায়ণত কোনো সমস্যা নহ'ব বুলি মত প্ৰকাশ কৰিছিল। অহা বছৰৰ এপ্ৰিল মাহৰ ভিতৰত কেইটামান পৰামৰ্শ কাৰ্যকৰী কৰা হ'ব বুলি তেওঁ উল্লেখ কৰিছিল। উল্লেখযোগ্য যে অসম চুক্তিৰ ৬ নম্বৰ দফাত অসমৰ খিলঞ্জীয়া লোকৰ সাংবিধানিক, বিধায়িনী আৰু প্ৰশাসনীয় অধিকাৰ ৰক্ষাৰ লগতে সামাজিক, সাংস্কৃতিক আৰু আংশিক অধিকাৰৰ সুৰক্ষাৰ প্ৰসংগ উল্লেখ কৰা হৈছিল। অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিয়ে দিয়া ৬৭টা পৰামৰ্শৰ ভিতৰত ৫২টা পৰামৰ্শ ৰাজ্য চৰকাৰে কাৰ্যকৰী কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে। আনহাতে বাকীকেইটা পৰামৰ্শ ৰূপায়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ প্ৰয়োজন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰিছিল।

00000000

ৰাজ্যৰ বিদ্যালয়ৰ তৃতীয় আৰু ষষ্ঠ শ্ৰেণীৰ পাঠ্যক্ৰমত চৰিত্ৰ পাঠ শীৰ্ষক কিতাপখন পুনৰ প্ৰৱৰ্তন হ'ব। মূল্যবোধৰ শিক্ষাত গুৰুত্ব আৰোপ কৰি ৰাজ্য চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ২০২৪-২৫ শিক্ষাবৰ্ষৰ পৰা এই সিদ্ধান্ত কাৰ্যকৰী হ'ব বুলি জানিবলৈ দিছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে যে এখন মানৱীয়, সুন্দৰ আৰু নিকা সমাজ গঢ়াৰ ক্ষেত্ৰত আদিপাঠ হিচাপে এই গ্ৰন্থখনে যথেষ্ট ইতিবাচক ভূমিকা গ্ৰহণ কৰিব। আনহাতে, শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয় যে মূল্যবোধৰ শিক্ষাক ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০-ত অন্যতম ক্ষেত্ৰ হিচাপে গুৰুত্ব আৰোপ কৰা হৈছে। সেয়েহে মূল্যবোধৰ শিক্ষাক স্কুল পৰ্যায়ত ৰাষ্ট্ৰীয় পাঠ্যক্ৰম পৰিকাঠামোত অন্তৰ্ভুক্ত কৰা হ'ব। উল্লেখযোগ্য যে কোকৰাঝাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰমণীকান্ত শৰ্মাই প্ৰণয়ন কৰা চৰিত্ৰ পাঠ পুথিখন অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডে প্ৰকাশ কৰি উলিয়াইছিল।

00000000

অসম মন্ত্ৰীসভাৰ বৈঠকে কামাখ্যাৰ পৰা আজাৰা হৈ গোৱালপাৰা সংযোগী ৰেলপথছোৱাৰ দ্বৈতকৰণৰ বাবে প্ৰয়োজনীয় ভূমি আৱণ্টনত অনুমোদন জনাইছে। দিশপুৰৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত বৈঠকৰ পাছত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই সংবাদ মাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰে। ৰাজ্য চৰকাৰে এই পথছোৱাৰ বাবে ৮ বিঘা ভূমি ৰে'লৱেক হস্তান্তৰ কৰাত অনুমোদন জনাই বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। হাজো, মাজুলী আৰু টিংখঙত নিৰ্মীয়মান কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠানৰ বাবে এশ ৫০ কোটি টকাৰ প্ৰশাসনীয় অনুমোদনৰ পুনৰ বৈধকৰণত সন্মতি জনাইছে। অসমৰ বিভিন্ন অভিযান্ত্ৰিক আৰু কাৰিকৰী মহাবিদ্যালয়ত অংশকালীনভাৱে নিয়োজিত ৫৫১ গৰাকী অধ্যাপকক স্থায়ী পদত নিযুক্তিৰ বাবেও কেবিনেটে অনুমোদন জনায়। ৰাজ্য চৰকাৰৰ অভিলাসী আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ৩ লাখ ২৩ হাজাৰ ৬৪০ গৰাকী ছাত্ৰ-ছাত্ৰীক ১৪৮ কোটি ৫৫ লাখ টকা ব্যয়েৰে চাইকেল প্ৰদানৰ সিদ্ধান্তত কেবিনেটে বিত্তীয় অনুমোদন জনায়। ইয়াৰ ফলত দূৰণিবটীয়া ছাত্ৰ-ছাত্ৰীসকলে সময়মতে বিদ্যালয়ত উপস্থিত হোৱাৰ লগতে বিদ্যালয়ৰ শিক্ষা আধৰুৱাকৈ এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পাব বুলি আশা কৰা হৈছে। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদে ৰাজ্য চৰকাৰৰ আগতীয়া অনুমোদন অবিহনে অস্থায়ীভাৱে নিযুক্তি প্ৰদান কৰা ১৩১ গৰাকী শিক্ষকৰ পদ নিয়মীয়াকৰণৰ বাবেও কেবিনেটে সিদ্ধান্ত লয়।

00000000

ৰাজ্যত প্ৰধানমন্ত্ৰী সূৰ্যঘৰ আঁচনিৰ অধীনত এতিয়ালৈকে এহেজাৰ ১০০ টা ঘৰৰ চাঁদত সৌৰ বিদ্যুৎ উৎপাদনৰ প্ৰণালী স্থাপন কৰা হৈছে আৰু ইয়াৰ জৰিয়তে ৩ হাজাৰ ৭২৩ কিলোৱাট উৎপাদন ক্ষমতাৰ সংযোজন ঘটিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এইকথা

প্ৰকাশ কৰি অসম শক্তি বিতৰণ কোম্পানী লিমিটেড আৰু এই আঁচনিৰ ৰূপায়ণ প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলোকে এই সাফল্যৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০০

আধুনিক অসমীয়া সংগীতক অনন্য মাত্ৰা প্ৰদান কৰা প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ কণ্ঠত গ্ৰামোফোন ৰেকৰ্ডত বাণীবদ্ধ হোৱা প্ৰথম অসমীয়া গীতৰ শতবাৰ্ষিকী অনুষ্ঠান অহা ২৭ ছেপ্তেম্বৰৰ বিয়লি গুৱাহাটীৰ দীঘলীপুখুৰীপাৰৰ অসম সাহিত্য সভাৰ লক্ষীৰাম বৰুৱা সদনত অনুষ্ঠিত হ'ব। শতবাৰ্ষিকী উদযাপন সমিতিয়ে সংবাদ মেল সম্বোধন কৰি এই বিষয়ে প্ৰকাশ কৰে। শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ সত্ৰাধিকাৰ পিতাম্বৰ দেৱগোস্বামীয়ে আনুষ্ঠানিকভাৱে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। শতবাৰ্ষিকী উপলক্ষে বিশিষ্ট সংগীত শিল্পী লোকনাথ গোস্বামীয়ে মূল ভাষণ দিয়াৰ লগতে সাহিত্য আৰু সংগীত ক্ষেত্ৰৰ বিভিন্ন বিশিষ্ট ব্যক্তিয়ে অনুষ্ঠানত তেওঁলোকৰ অনুভৱ ব্যক্ত কৰিব। উদ্বোধনী অনুষ্ঠানত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ গীত পৰিৱেশনৰ লগতে গ্ৰামোফোন ৰেকৰ্ড আৰু ৰেকৰ্ডৰ কপি প্ৰদৰ্শন কৰা হ'ব।

০০০০০০

চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ শান্তিপুৰ এলেকাৰ অতি দৰিদ্ৰ পৰিয়ালৰ মাজত এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হয়। অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযানৰ অধীনত এই কাৰ্যসূচী গ্ৰহণ কৰা হয়। শান্তিপুৰ ভি চি ডি চি কাৰ্যালয়ত অনুষ্ঠিত এটা অনুষ্ঠানত কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে ৩ শতাধিক মহিলা হিতাধিকাৰীৰ মাজত এই এককালীন আৰ্থিক সাহায্য বিতৰণ কৰে। অনুষ্ঠানত সাংসদগৰাকীয়ে অঞ্চলটোৰ দৰিদ্ৰ পৰিয়ালসমূহক আত্মনিৰ্ভৰ কৰি তোলাৰ বাবে মুখ্যমন্ত্ৰীৰ তৎপৰতাত ভালেমান পদক্ষেপ গ্ৰহণ কৰা হয় বুলি মন্তব্য কৰে। ভাৰত-ভূটান সীমান্তৰ ৰুণীখাটা, থাইকাঝোৰা, দেওশ্ৰী, হাতীসাৰ আৰু শান্তিপুৰ ভি চি ডি চি এলেকাৰ ৯৪৬টা পৰিয়ালক বাছনি কৰি কালি শান্তিপুৰৰ হিতাধিকাৰীসকলৰ মাজত প্ৰথম কিস্তি হিচাপে এহেজাৰ টকাকৈ প্ৰদান কৰা হয়। পৰৱৰ্ত্তী সময়ত দ্বিতীয় কিস্তি হিচাপে ৫ হাজাৰ টকাকৈ দিয়াৰ লগতে ইচ্ছুক হিতাধিকাৰীসকলক পশুপালন বিভাগৰ তৰফৰ পৰা গাহৰি, ছাগলী আদি যোগান ধৰা হ'ব। এই আঁচনিৰ অধীনত অন্যান্য ভি চি ডি চিসমূহৰ হিতাধিকাৰীসকলৰ মাজতো পৰ্যায়ক্ৰমে আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব।

০০০০০০০

জম্মু-কাশ্মীৰ বিধানসভাৰ দ্বিতীয় পৰ্য্যায়ৰ নিৰ্বাচনৰ বাবে আজি ভোটগ্ৰহণ কৰা হৈছে। এই পৰ্য্যায়ত ২৬ টা সমষ্টি সামৰি লোৱা হৈছে। পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা এই ভোটগ্ৰহণৰ সন্ধিয়া ৬ বজাত সমাপ্তি ঘটিব। সৰ্বাধিক সংখ্যক লোকক ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ সুবিধা দিয়াৰ বাবে অঞ্চলসমূহত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। নিকা, নিৰপেক্ষ আৰু মসৃণ ভোটগ্ৰহণ নিশ্চিত কৰিবলৈ নগৰ অঞ্চলত এহেজাৰ ৫৬ টা আৰু গাঁও অঞ্চলত দুহেজাৰ চাৰিশ ৪৬ টা ধৰি মুঠ তিনিহেজাৰ পাঁচশ ২ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। আটাইবোৰ কেন্দ্ৰতে ৱেবকাষ্টিঙৰ সুবিধা কৰা হৈছে। এই পৰ্য্যায়ত নেচনেল কনফাৰেন্সৰ নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাহ, কংগ্ৰেছ প্ৰদেশৰ মুৰব্বী তাৰিক হামিদ কাৰাহ, জম্মু-কাশ্মীৰ বিজেপিৰ অধ্যক্ষ ৰবিন্দৰ ৰাইনা আৰু অপনি পাৰ্টিৰ সভাপতি আলতাফ বুখাৰীৰ দৰে আগশাৰীৰ নেতাৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰা হ'ব।জম্মু-কাশ্মীৰত তিনিটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হৈছে। তৃতীয় পৰ্যায়ৰ ৪০খন আসনৰ বাবে অহা ১ অক্টোবৰত ভোটগ্ৰহণ হোৱাৰ বিপৰীতে ৮ অক্টোবৰত ভোটগণনা হ'ব।

০০০০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ উপলক্ষে চৰকাৰে **যুৱ শক্তিক গতি প্ৰদান**ৰ লক্ষ্যৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰসংগত কৈছে যে যুৱক-যুৱতীসকলক নতুন চাকৰি লাভ কৰাৰ লগতে অতিৰিক্ত আয়ৰ উৎস সৃষ্টিৰ বাবে প্ৰয়োজনীয় দক্ষতাৰে গঢ়ি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ। উল্লেখযোগ্য যে তৃতীয়টো কাৰ্যকালৰ প্ৰথম ১০০ দিনত চৰকাৰে প্ৰধানমন্ত্ৰী পুঁজিৰ অধীনত দক্ষতা বিকাশ তথা নিয়োগ সৃষ্টিৰ বাবে ২ লাখ কোটি টকা ঘোষণা কৰিছে। ইয়াৰ জৰিয়তে দেশৰ ৪ কোটিৰো অধিক যুৱক-যুৱতী উপকৃত হ'ব। আনহাতে বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱন পৰিস্থিতিতন্ত্ৰ শক্তিশালী কৰাৰ বাবে চৰকাৰে ১০ হাজাৰ ৬০০ কোটি টকা ব্যয়েৰে বিজ্ঞান ধাৰা আঁচনিত অনুমোদন জনাইছে। একেদৰে যুৱক-যুৱতীসকলৰ মাজত ক্ৰীড়া প্ৰতিভাৰ প্ৰশিক্ষণৰ বাবে খেলো ইণ্ডিয়া উদীয়মান প্ৰতিভা চিনাক্তকৰণ কাৰ্যসূচী আৰম্ভ কৰা হৈছে। ড্ৰাগছ সম্পৰ্কীয় সমস্যাসমূহৰ ক্ষেত্ৰত সহায় আৰু প্ৰতিবেদনৰ বাবে আৰম্ভ কৰা **মানস হেল্পলাইনে** ড্ৰাগছমুক্ত ভাৰতত অৰিহণা যোগাইছে। তদুপৰি প্ৰায় ১ কোটি যুৱক-যুৱতীয়ে শীৰ্ষৰ ৫০০টা কোম্পানীত ইণ্টাৰ্ণশ্বিপৰ সুযোগ লাভৰ ব্যৱস্থা কৰাৰ লগতে এহেজাৰখন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান উন্নীতকৰণৰ সমান্তৰালকৈ ২০ লাখ যুৱক-যুৱতীক দক্ষতা বিকাশৰ সুযোগ দিয়াৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আনহাতে, প্ৰশ্নকাকত ফাদিল ৰোধ কৰাৰ লগতে নিযুক্তি প্ৰক্ৰিয়া স্বচ্ছ কৰি তুলিবলৈ ৰাজহুৱা পৰীক্ষা আইন প্ৰৱৰ্তন কৰা হৈছে। নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেটত বিভিন্ন খণ্ডত কৰ্মসংস্থাপন সৃষ্টিৰ বাবে ১১ দশমিক ১১ লাখ কোটি টকা মূলধনী ব্যয় ধাৰ্য কৰা হৈছে। তদুপৰি, কেন্দ্ৰীয় মন্ত্ৰালয় আৰু বিভাগসমূহত ১৫ হাজাৰ নিযুক্তি প্ৰদান কৰা হৈছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন-পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

oooooo

জিলা যক্ষ্মা দূৰীকৰণ আঁচনিৰ অধীনত নতুন ঔষধ ব্যৱস্থাৰ বিষয়ে লখিমপুৰ জিলা সন্মিলন কেন্দ্ৰত মঙলবাৰে এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীত ৰাজ্যিক যক্ষ্মা বিষয়া, বিশ্ব স্বাস্থ্য সংস্থাৰ পৰামৰ্শদাতা, লখিমপুৰ জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, জিলা যক্ষ্মা আৰু এইডছ্ নিয়ন্ত্ৰণ বিষয়াৰ লগতে মহকুমা স্বাস্থ্য বিষয়াসকলে অংশগ্ৰহণ কৰে।

ooooooo

শিৱসাগৰ জিলাৰ জি জি এছ চাৰিআলিত সংঘটিত এটা পথ দুৰ্ঘটনাত এজন মটৰ চাইকেল আৰোহীৰ ঘটনাস্থলীতে মৃত্যু হয়। নিহত লোকজনক মৰিগাঁও নিবাসী অৰবিন্দ ৰাজখোৱা বুলি চিনাক্ত কৰা হৈছে। দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত আনজন লোকক শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে।

ooooooo

আই এফ বি বি মিষ্টাৰ ইউনিভাৰ্ছ দেহশ্ৰী প্ৰতিযোগিতাৰ ৯৫ কিলোগ্ৰাম ওজন শাখাত অসমৰ কিৰণ টায়েঙে স্বৰ্ণপদক অৰ্জন কৰিছে। ২০ৰ পৰা ২২ ছেপ্তেম্বৰলৈ মুম্বাইত এই বিশ্ব পৰ্যায়ৰ প্ৰতিযোগিতাখন অনুষ্ঠিত হৈছিল। এই প্ৰতিযোগিতাত অসমৰ মুঠ ৭ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। কিৰণ টায়েং হ'ল এই প্ৰতিযোগিতাত খিতাপ অৰ্জন কৰা অসমৰ একমাত্ৰ খেলুৱৈ। উল্লেখযোগ্য যে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ ৪০০ ৰো অধিক প্ৰতিযোগীয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল।

oooooooo

অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠিত উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনৰ ৫২টা পৰামৰ্শ কাৰ্যকৰী কৰিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত আজি সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বৰ সৈতে প্ৰথমখন বৈঠকত মিলিত হ'ব। **দৈনিক অসম, দ্য ছেন্টিনেল আৰু দি আছাম ট্ৰিবিউন** কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মাৰ্কিন ৰাষ্ট্ৰপতি জ' বাইডেনৰ বৈঠকৰ পাছতেই বংগত বৃহৎ ছেমি কণ্ডাক্টৰ প্ৰকল্প ঘোষণা কৰা হৈছে। **আমাৰ অসম** কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাচৰি হিচাপে প্ৰকাশ কৰিছে।

দৈনিক শ্বিলংঙৰ পৰা অসমৰ বিভিন্ন প্ৰান্তলৈ আহে বৃহৎ পৰিমাণৰ চীনা নহৰু। এই বাতৰিটো চীনা নহৰুৰে ভৰিছে ৰাজ্যৰ বজাৰ শিৰোনামেৰে **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আগন্তুক ২০২৬ৰ বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি অগপই ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে উজনি অসমত শক্তি বৃদ্ধিৰ লক্ষ্য আগত ৰাখি বিভিন্ন তৎপৰতা অৱলম্বন কৰিছে। উজনি অসমত শক্তি বৃদ্ধিৰ লক্ষ্যৰে ডিব্ৰুগড়ত অগপৰ প্ৰতিষ্ঠা দিৱস শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতে এই বাতৰিটো প্ৰকাশ কৰিছে।

দ্বৈত ৰেলপথৰ বাবে ভূমি আবণ্টন, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদে নিযুক্তি দিয়া শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ, তিনিখন পলিটেকনিকৰ বাবে পুঁজি আবণ্টনকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত কালি অনুষ্ঠিত ৰাজ্যিক কেবিনেটত গ্ৰহণ কৰা হয়। **নিয়মীয়া বাৰ্তা** কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি ৰূপে প্ৰকাশ কৰিছে। একেটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

পূজাৰ প্ৰাক্-ক্ষণত বজাৰত দাম বৃদ্ধিৰ জুই শিৰোনামেৰে **অসমীয়া খবৰ** কাকতে সন্তৰ্পণে খাদ্য সামগ্ৰীৰ দাম বৃদ্ধি বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ এক চমু অৱলোকন।

ooooooo

**সমাপ্ত**